জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫২৩/২০২০

## শ্বহীদ প্ৰণয় কলিতাৰ গৃহলৈ গৈ শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জনালে মুখ্যমন্ত্ৰীয়ে

# প্ৰণয় কলিতাৰ দেশপ্ৰেম আৰু ত্যাগে ৰাষ্ট্ৰৰ প্ৰতি সেৱা আগবঢ়োৱাৰ বাবে যুৱ চামক সদায়ে অনুপ্ৰেৰণা যোগাই যাব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২ আগষ্ট ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মণিপুৰৰ চান্দেল জিলাত যোৱা ২৯ জুলাইত উগ্ৰপন্থীৰ দ্বাৰা সংঘটিত বিস্ফোৰণত নিহত হোৱা অসম ৰাইফলছ্ৰ জোৱান বীৰ শ্বহীদ প্ৰণয় কলিতাৰ বৰপেটা জিলাৰ পাঠশালাৰ ঘাটবৰ গাঁওস্থিত গৃহলৈ গৈ বীৰ শ্বহীদগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে বীৰ শ্বহীদগৰাকীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে বীৰ শ্বহীদগৰাকীৰ পত্নী আৰু পিতৃ-মাতৃৰ সৈতে মত-বিনিময় কৰি সবেদনা জ্ঞাপন কৰে।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে বীৰ শ্বহীদ প্ৰণয় কলিতাই দেশৰ বৃহত্তৰ স্বাৰ্থত আত্মবলিদান দিলে। দেশৰ একতা, অখণ্ডতা আৰু সাৰ্বভৌমত্ব অক্ষুণ্ণ ৰখাৰ বাবে নিৰ্ভিকতাৰে শ্বহীদ গৰাকীয়ে যুঁজ দি আত্মবলিদান দিলে। শ্বহীদ গৰাকীৰ ত্যাগ অথলে নাযায় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে জীৱনকালত শ্বহীদগৰাকীয়ে দেশপ্ৰেমৰ যি আদৰ্শ প্ৰদৰ্শন কৰি গ'ল সেয়া দেশৰ প্ৰতিগৰাকী নাগৰিকক দেশৰ বাবে সৰ্বোচ্চ ত্যাগ কৰাৰ মানসিকতাৰে উদ্বুদ্ধ হোৱাৰ বাবে অনুপ্ৰাণিত কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ লগতে কয় যে বীৰগৰাকীৰ সাহস, ত্যাগ আৰু ৰাষ্ট্ৰৰ প্ৰতি দায়ৱদ্ধতাৰে সেৱা আগবঢ়োৱাৰ মানসিকতাৰ বাবে আজি সমগ্ৰ ৰাজ্যবাসী গৌৰৱান্বিত। বীৰ শ্বহীদগৰাকীৰ কৰ্তব্যনিষ্ঠা, ৰাষ্ট্ৰৰ প্ৰতি আগবঢ়োৱা সেৱা আৰু ত্যাগে সমগ্ৰ ৰাষ্ট্ৰৰ যুৱ চামক অনুপ্ৰাণিত কৰিব। মুখ্যমন্ত্ৰীয়ে শ্বহীদগৰাকীৰ গৃহলৈ যোৱা পথটো উন্নীতকৰণৰ লগতে শ্বহীদ গৰাকীৰ নামেৰে নামাকৰণ কৰা হ'ব বুলিও কয়। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে জিলা উপায়ুক্তক নিৰ্দেশনা দিয়া হ'ব বুলি কয়।

উল্লেখ্য যে বীৰ শ্বহীদ প্ৰণয় কলিতাৰ লগতে অন্যান্য কেইগৰাকীমান অসম ৰাইফলছ্ৰ জোৱানে কৰ্তব্যত নিয়োজিত হৈ থাকোতেই যোৱা ২৯ জুলাইত উগ্ৰপন্থীৰ দ্বাৰা সংঘটিত বিস্ফোৰণত নিহত হ'ব লগীয়া হৈছিল। বীৰ শ্বহীদগৰাকীৰ শেষকৃত্য যোৱা ৩১ জুলাইত বজালীৰ ঘাটবৰ গাঁৱত ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হয়। মুখ্যমন্ত্ৰীয়ে আজি বীৰ শ্বহীদগৰাকীৰ পত্নী জুমি কলিতাৰ হাতত ২০ লাখ টকাৰ এককালীন আৰ্থিক সাহায্যৰ চেক এখনো প্ৰদান কৰে।

বীৰ শ্বহীদগৰাকীৰ গৃহলৈ যোৱাৰ সময়ত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সাংসদ দিলীপ শইকীয়াকে ধৰি অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ**
**২/০৮/২০২০**